**07-10-2024** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

"মৰমৰ সন্তানসকল – পিতা তোমালোক সন্তানসকলক "কুম্ভী পাক" (ৰৌৰৱ) নৰকৰ পৰা উদ্ধাৰ কৰিবলৈ আহিছে, তোমালোক সন্তানসকলে পিতাক নিমন্ত্ৰণো সেই কাৰণেই জনাইছা"

প্ৰশ্ন: তোমালোক সন্তানসকল বৰ ডাঙৰ কাৰিকৰ (খনিকৰ) - কেনেকৈ? তোমালোকৰ কাৰিকৰী কি?

উত্তৰ: আমি সন্তানসকলে এনেকুৱা কাৰিকৰী কৰোঁ যে গোটেই সৃষ্টিখনেই নতুন হৈ যায়, তাৰ কাৰণে আমি কোনো ইটা বা টাকুৰি আদি নাদাঙো কিন্তু স্মৃতিৰ যাত্ৰাৰে নতুন সৃষ্টি গঢ়ি তোলোঁ। আমি আনন্দিত হওঁ যে আমি নতুন সৃষ্টি স্থাপনা কৰি আছোঁ। আমিয়েই আকৌ এনেকুৱা স্বৰ্গৰ মালিক হ'মগৈ।

ওঁম্ শান্তি। মৰমৰ আত্মিক সন্তানসকলৰ প্ৰতি আত্মিক পিতাই বুজায়, তোমালোকে যেতিয়া নিজৰ নিজৰ গাঁওৰ পৰা ওলাই আহা তেতিয়া বুদ্ধিত এইটো থাকেনে যে আমি শিৱবাবাৰ পাঠশালালৈ গৈ আছোঁ। এনেকুৱা নহয় যে কোনো সাধু-সন্ত আদিক দৰ্শন কৰিবলৈ বা শাস্ত্ৰ আদি শুনিবলৈ আহা। তোমালোকে জানা যে আমি শিৱবাবাৰ ওচৰলৈ যাওঁ। জগতৰ মনুষ্যইতো ভাবে শিৱ ওপৰত থাকে। তেওঁলোকে যেতিয়া স্মৰণ কৰে তেতিয়া চকু মেলি নবহে। তেওঁলোকে চকু মুদি ধ্যানত বহে। শিৱলিংগতো দেখা পোৱা যায়। শিৱৰ মন্দিৰলৈ গ'লে তেতিয়াও যেতিয়া শিৱক স্মৰণ কৰে তেতিয়া ওপৰলৈ চাব বা মন্দিৰ স্মৃতিলৈ আহিব। কোনোৱে আকৌ চকু বন্ধ কৰি বহে। এনেকৈ ভাবে যে যদি নাম-ৰূপৰ ফালে দৃষ্টি যায় তেন্তে আমাৰ সাধনা খণ্ডিত হৈ যাব। এতিয়া তোমালোক সন্তানসকলে জানা যে আমি শিৱবাবাক স্মৰণ কৰিছিলোঁ। কোনোৱে শ্ৰীকৃষ্ণক স্মৰণ কৰে, কোনোৱে ৰামক স্মৰণ কৰে, কোনোৱে নিজৰ গুৰুক স্মৰণ কৰে, গুৰুৱো সৰু লকেট সজাই পিন্ধে। গীতাৰো এনেকুৱা সৰু লকেট সজাই পিন্ধে। ভক্তিমাৰ্গত সকলো এনেকুৱাই। ঘৰত থাকিও স্মৰণ কৰে। স্মৃতিত থাকি যাত্ৰাও কৰে। চিত্ৰতো ঘৰত ৰাখি পূজা কৰিব পাৰে কিন্তু এয়াও ভক্তিৰ নিয়ম। জন্ম-জন্মান্তৰ যাত্ৰালৈ যায়। চাৰিধামৰ যাত্ৰা কৰে। চাৰিধাম বুলি কিয় কোৱা হয়? পূব, পশ্চিম, উত্তৰ, দক্ষিণ.... চাৰিও দিশে পৰিক্ৰমা লগায়। ভক্তিমাৰ্গ যেতিয়া আৰম্ভ হয় তেতিয়া প্ৰথমে এজনকে ভক্তি কৰে, তাক অব্যভিচাৰী ভক্তি বুলি কোৱা হয়। সতোপ্ৰধান আছিল, এতিয়াতো এই সময়ত হৈছে তমোপ্ৰধান। ভক্তিও ব্যভিচাৰী, অনেকক স্মৰণ কৰি থাকে। তমোপ্ৰধান 5 তত্বৰে গঠিত শৰীৰ, তাকো পূজা কৰে। তেন্তে তমোপ্ৰধান ভূতৰ পূজা কৰে, কিন্তু এই কথাবোৰ কোনোবাই বুজি পায় জানো। যদিও ইয়াত বহি আছে কিন্তু বুদ্ধিযোগ ক'ত ক'ত গৈ থাকে। ইয়াততো তোমালোক সন্তানসকলে চকু মুদি শিৱবাবাক স্মৰণ কৰিব নালাগে। এইটো জানা যে পিতা হৈছে বহুত দূৰণিৰ দেশৰ নিবাসী। তেওঁ আহি সন্তানসকলক শ্ৰীমত দিয়ে। শ্ৰীমতত চলিলেহে শ্ৰেষ্ঠ দেৱতা হ'বাগৈ। দেৱতাসকলৰ ৰাজধানী স্থাপনা হৈ আছে। তোমালোক ইয়াত বহি নিজৰ দেৱী-দেৱতাসকলৰ ৰাজ্য স্থাপনা কৰি আছা। আগতে জানো তোমালোকে জানিছিলা যে সেয়া কেনেকৈ স্থাপনা হয়। এতিয়া জানা বাবা আমাৰ পিতাও হয়, শিক্ষক হৈ পঢ়ায় আৰু লগতো লৈ যাব, সৎগতি কৰিবলৈ। গুৰু লোকসকলে কাৰো সৎগতি নকৰে। ইয়াত তোমালোকক বুজোৱা হয় - এয়া এজনেই পিতা, শিক্ষক, সৎগুৰু। পিতাৰ পৰা উত্তৰাধিকাৰ পোৱা যায়, সৎগুৰুৱে পুৰণি সৃষ্টিৰ পৰা নতুন সৃষ্টিলৈ লৈ যাব। এই সকলো কথা বৃদ্ধ মাতাসকলেতো বুজিব নোৱাৰিব। তেওঁলোকৰ কাৰণে মুখ্য কথা হ'ল নিজক আত্মা বুলি বুজি শিৱবাবাক স্মৰণ কৰিব লাগে। আমি শিৱবাবাৰ সন্তান, আমাক বাবাই স্বৰ্গৰ উত্তৰাধিকাৰ দিব। বৃদ্ধ মাতাসকলক এনেকৈ সহজ ভাষাত বুজাব লাগে। সকলো সন্তানৰে পিতাৰ পৰা উত্তৰাধিকাৰ লোৱাৰ অধিকাৰ আছে। মৃত্যু সন্মুখত থিয় হৈ আছে। পুৰণি সৃষ্টিখনেই নিশ্চয় নতুন হ'বগৈ। নতুন আকৌ পুৰণা হয়। ঘৰ এটা সজাবলৈ কিমান কম সময় লাগে কিন্তু পুৰণা হ'বলৈ 100 বছৰ লাগি যায়।

এতিয়া তোমালোক সন্তানসকলে জানা যে এই পুৰণি সৃষ্টি এতিয়া নাশ হৈ যাব। এতিয়া এয়া যি যুদ্ধ হ'ব সেয়া আকৌ 5 হাজাৰ বছৰ পাছত হ'ব। এই সকলোবোৰ কথা বৃদ্ধ মাতাসকলেতো বুজিব নোৱাৰে। তেওঁলোকক বুজোৱাটো আকৌ ব্ৰাহ্মণীসকলৰ কাম। তেওঁলোকৰ কাৰণেতো এটা শব্দই যথেষ্ট - নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা। তোমালোক আত্মাসকল পৰমধামৰ নিবাসী। আকৌ ইয়াত শৰীৰ ধাৰণ কৰি ভূমিকা পালন কৰা। আত্মাই ইয়াত দুখ আৰু সুখৰ ভূমিকা পালন কৰে। মুখ্য কথা পিতাই কয় - মোক আৰু সুখধামক স্মৃতিত ৰাখা। পিতাক স্মৃতিত ৰাখিলে পাপ খণ্ডন হ'ব আৰু তেতিয়া স্বৰ্গলৈ আহি যাবা। যিয়ে যিমান স্মৰণ কৰিব সিমানে পাপ খণ্ডন হ'ব। বৃদ্ধ মাতাসকলৰ অভ্যাস হৈ গৈছে, সৎসংগত গৈ কথা শুনেগৈ। তেওঁলোকক বাৰে বাৰে পিতাৰ স্মৃতি সোঁৱৰাই দিব লাগে। স্কুলত পঢ়া হয়, কথা শুনা নহয়। ভক্তিমাৰ্গততো তোমালোকে বহুত কথা শুনিলা কিন্তু তাৰ পৰা একো লাভ নহয়। ছিঃ ছিঃ সৃষ্টিখনৰ পৰা নতুন সৃষ্টিলৈতো

যাব নোৱাৰে। মনুষ্যই ৰচয়িতা পিতা আৰু ৰচনাক নাজানে। তোমালোকেও আগতে নাজানিছিলা। এতিয়া তোমালোকে ভক্তিমাৰ্গক ভালকৈ জানি গ'লা। ঘৰতো বহুতৰ ওচৰত মূৰ্তি থাকে, বস্তু সেইটোৱেই, কোনো কোনো পতিয়েও স্ত্ৰীক কয় - তুমি ঘৰতে মূৰ্তি ৰাখি পূজা কৰা। বাহিৰত ঠেলা-হেঁচা খাবলৈ কিয় যোৱা, কিন্তু তেওঁলোকৰ ভাৱনা থাকে। এতিয়া তোমালোকে বুজি পালা যে তীৰ্থ যাত্ৰা কৰা মানে ভক্তিমাৰ্গৰ ঠেলা-হেঁচা খোৱা। অনেকবাৰ তোমালোকে 84ৰ চক্ৰ অতিক্ৰম কৰিছা। সত্যযুগ-ত্ৰেতাত কোনো যাত্ৰা নহয়। তাত কোনো মন্দিৰ আদি নাথাকে। এই যাত্ৰা আদি সকলো ভক্তিমাৰ্গতহে হয়। জ্ঞানমাৰ্গত এয়া একোৱে নহয়। তাক ভক্তি বুলিয়ে কোৱা হয়। জ্ঞান দিওঁতাতো এজনৰ বাদে আৰু কোনো নাই। জ্ঞানৰ দ্বাৰাহে সংগতি হয়। সংগতি দাতা হৈছে এজনে পিতা। শিৱবাবাক কোনেও শ্ৰী শ্ৰী বুলি নকয়, তেওঁক উপাধিৰ দৰকাৰ নাই। এয়াতো মহিমা কৰে, তেওঁক কোৱাই হয় - 'শিৱবাবা'। তোমালোকে আহ্বান জনাই থাকা - শিৱবাবা আমি পতিত হৈ গ'লোঁ, আমাক আহি পাৱন কৰি তোলক। ভক্তিমাৰ্গৰ পিটনিত ডিঙিলৈকে আৱদ্ধ হৈ আছে। আৱদ্ধ হোৱাৰ পাছত আকৌ চিঞৰে, বিষয়-বাসনাৰ পিটনিত একেবাৰে আৱদ্ধ হৈ যায়। ছিৰি অৱনমিত হৈ হৈ আৱদ্ধ হৈ যায়। কোনেও গম নাপায়, সেয়েহে কয় বাবা মোক উদ্ধাৰ কৰক। বাবাও ড্ৰামা অনুসৰি আহিবলগীয়াই হয়। পিতাই কয় - এই সকলোকে পিটনিৰ পৰা উদ্ধাৰ কৰিবলৈ ময়ো বান্ধ খাই আছোঁ। ইয়াক "কুম্ভী পাক" নৰক বুলি কোৱা হয়। ৰৌৰব নৰক বুলিও কোৱা হয়। এয়া পিতাই বহি বুজায়, তেওঁলোকে জানো এয়া গম পায়।

চোৱা তোমালোকে পিতাক কেনেকুৱা নিমন্ত্ৰণ দিয়া। নিমন্ত্ৰণতো কোনো বিয়া-সভা আদিৰ ক্ষেত্ৰত দিয়া হয়। তোমালোকে কোৱা - হে পতিত-পাৱন বাবা, এই পতিত সৃষ্টি, ৰাৱণৰ পুৰণি সৃষ্টিলৈ আহক। আমি টেটুলৈকে ইয়াত আৱদ্ধ হৈ আছোঁ। পিতাৰ বাহিৰেতো আন কোনেও ইয়াৰ পৰা উলিয়াব নোৱাৰে। এনেকৈ কয়ো - দূৰণিৰ দেশৰ নিবাসী শিৱবাবা, এইখন হৈছে ৰাৱণৰ দেশ। সকলো আত্মা তমোপ্ৰধান হৈ গ'ল সেয়েহে আহ্বানো জনায় যে আহি পাৱন কৰি তোলক। পতিত-পাৱন সীতাৰাম, এনেকৈ গাই চিঞৰি থাকে। এনেকুৱা নহয় যে তেওঁলোক পবিত্ৰ হৈ থাকে। এই সৃষ্টিখনেই হৈছে পতিত, ৰাৱণৰ ৰাজ্য, ইয়াতে তোমালোক আৱদ্ধ হৈ গ'লা। সেয়েহে এনেকৈ নিমন্ত্ৰণ জনাইছা - বাবা আপুনি আহি আমাক "কুম্ভী পাক" নৰকৰ পৰা উদ্ধাৰ কৰক। সেয়েহে পিতা আহিছে। তোমালোকৰ কিমান বাধ্য সেৱক। ড্ৰামাত তোমালোক সন্তানসকলে অপাৰ দুখ দেখিছা। সময় বাগৰি গৈ থাকে। এটা ছেকেণ্ড আনটোৰ সৈতে নিমিলে। এতিয়া পিতাই তোমালোকক লক্ষ্মী-নাৰায়ণৰ দৰে গঢ়ি তোলে আকৌ তোমালোকে আধাকল্প ৰাজ্য কৰিবা - স্মৃতিলৈ আনা। এতিয়া সময় বহুত কম। যেতিয়া মৃত্যুৰ তাণ্ডৱ আৰম্ভ হ'ব তেতিয়া মনুষ্য মূৰ্ছিত হৈ যাব। অলপ সময়তে কি যে হৈ যাব। কোনোবা শব্দ শুনিয়েই হাৰ্টফেইল হৈ যাব। এনেকৈ মৰিব যে তাৰ কথাই নুসুধিবা। চোৱা বহুত বৃদ্ধ মাতা আহিছে। তেওঁলোকে একোৱে বুজিব নোৱাৰে। যেনেকৈ তীৰ্থলৈ গ'লে ইজনে-সিজনক দেখি তৈয়াৰ হৈ যায়, তেওঁলোকো আহে।

এতিয়া তোমালোকে জানা যে ভক্তিমাৰ্গৰ তীৰ্থ যাত্ৰাৰ অৰ্থই হ'ল অৱনমিত হোৱা, তমোপ্ৰধান হোৱা। এয়াই হৈছে তোমালোকৰ সকলোতকৈ ডাঙৰ যাত্ৰা। যাৰ দ্বাৰা তোমালোক পতিত সৃষ্টিৰ পৰা পাৱন সৃষ্টিলৈ যোৱা। গতিকে এই সন্তানসকলক কিবাতো শিৱবাবাৰ স্মৃতি সোঁৱৰাই থাকা। শিৱবাবাৰ নাম স্মৃতিত আছেনে? অলপো যদি শুনিছে তেন্তে স্বৰ্গলৈ আহিব। ইয়াৰ ফল নিশ্চয় পাব। বাকী পদতো পঢ়াৰ দ্বাৰা পোৱা যায়। তাতেই বহুত পাৰ্থক্য হৈ যায়। উচ্চতকৈও উচ্চ আকৌ নীচতকৈ নীচ, ৰাতি-দিনৰ পাৰ্থক্য হৈ যায়। ক'ত প্ৰধান মন্ত্ৰী, ক'ত দাস-দাসী। ৰাজধানীত ক্ৰমানুসৰি থাকে। স্বৰ্গতো ৰাজধানী হ'ব। কিন্তু তাত পাপ আত্মা বা বিকাৰী নাথাকিব। সেইখন হয়েই নিৰ্বিকাৰী সৃষ্টি। তোমালোকে ক'বা - আমি এই লক্ষ্মী-নাৰায়ণ নিশ্চয় হ'মগৈ। তোমালোকে হাত উঠোৱা দেখিলে বৃদ্ধ মাতাসকলেও হাত উঠাই দিব। বুজি একো নাপায়। তথাপি পিতাৰ ওচৰলৈ আহিছে যেতিয়া স্বৰ্গলৈতো যাব কিন্তু সকলো জানো এনেকুৱা হ'ব। প্ৰজাও হ'ব। পিতাই কয় – মই গৰিবৰ ত্ৰাণকৰ্তা, গতিকে বাবা গৰিবসকলক দেখি আনন্দিত হয়। লাগিলে যিমানেই চহকী পদমপতি নহওঁক কিয়, তেওঁলোকতকৈও এওঁলোকে 21 জন্মৰ কাৰণে উচ্চ পদ পাব। সেয়াও ভাল। বৃদ্ধ মাতাসকল যেতিয়া আহে পিতা বহুত আনন্দিত হয় তথাপিতো শ্ৰীকৃষ্ণপুৰীলৈতো আহি যাব। এইখন হৈছে ৰাৱণপুৰী, যিয়ে ভালকৈ পঢ়িব তেওঁলোকে শ্ৰীকৃষ্ণকো কোলাত ল'ব। প্ৰজা জানো ভিতৰলৈ আহিব পাৰিব। তেওঁলোকেতো কেতিয়াবাহে দেখা পাব। যেনেকৈ পোপে খিৰিকীৰে সাক্ষাৎ দিয়ে, লাখ লাখ আহি একগোট হয় দৰ্শন কৰিবলৈ। কিন্তু আমিনো তেওঁৰ কি সাক্ষাৎ কৰিম। সদা পবিত্ৰতো হৈছে এজনেই পিতা যিয়ে আহি তোমালোকক পাৱন কৰি তোলে। গোটেই বিশ্বকে সতোপ্ৰধান কৰি তোলে। তাত এই 5 ভূত নাথাকিব। 5 তত্বও সতোপ্ৰধান হৈ যায়, তোমালোকৰ গোলাম হৈ যায়। কেতিয়াও এনেকুৱা গৰম নহ'ব যাৰ বাবে লোকচান হৈ যাব। 5 তত্বও নিয়ম অনুসৰি চলে। অকালতে মৃত্যু নহয়। এতিয়া যিহেতু তোমালোক স্বৰ্গলৈ যাবা বুদ্ধিযোগ নৰকৰ পৰা আঁতৰাই দিয়া উচিত। যেনেকৈ নতুন ঘৰ নিৰ্মাণ কৰিলে পুৰণা ঘৰৰ পৰা বুদ্ধি আঁতৰি যায়। বুদ্ধি নতুন ঘৰত গুচি যায়, এয়া আকৌ হৈছে বেহদৰ কথা। নতুন সৃষ্টি স্থাপনা হৈ

আছে, পুৰণি সৃষ্টিৰ বিনাশ হ’ব। তোমালোক হৈছা নতুন সৃষ্টি স্বৰ্গ স্থাপনা কৰোঁতা। তোমালোক বহুত ভাল কাৰিকৰ। নিজৰ কাৰণে স্বৰ্গ স্থাপনা কৰি আছা। কিমান ডাঙৰ কাৰিকৰ হোৱা, স্মৃতিৰ যাত্ৰাৰে নতুন সৃষ্টি স্বৰ্গ স্থাপনা কৰা। অলপো যদি স্মৰণ কৰা তেন্তে স্বৰ্গলৈ আহি যাবা। তোমালোকে গুপ্ত বেশত স্বৰ্গ স্থাপনা কৰি আছা। এইটো জানা যে আমি এই শৰীৰ এৰি আকৌ গৈ স্বৰ্গত নিবাস কৰিমগৈ গতিকে এনেহেন বেহদৰ পিতাক পাহৰিব নালাগে। এতিয়া তোমালোকে স্বৰ্গলৈ যাবলৈ পঢ়ি আছা। নিজৰ ৰাজধানী স্থাপনা কৰিবলৈ পুৰুষাৰ্থ কৰি আছা। এই ৰাৱণৰ ৰাজধানী নাশ হৈ যাব। তেন্তে ভিতৰি কিমান আনন্দিত হ’ব লাগে। আমিতো এই স্বৰ্গ অনেকবাৰ স্থাপনা কৰিছোঁ, ৰাজ্য ল’লোঁ আকৌ হেৰুৱালোঁ। এইখিনি স্মৃতিত থাকিলে সেয়াও বহুত ভাল। আমি স্বৰ্গৰ মালিক আছিলোঁ, পিতাই আমাক এনেকৈ গঢ়ি তুলিছিল। পিতাক স্মৰণ কৰিলে তোমালোকৰ পাপ ভস্ম হ’ব। কিমান সহজ ৰীতিৰে তোমালোকে স্বৰ্গ স্থাপনা কৰি আছা। পুৰণি সৃষ্টিৰ বিনাশৰ কাৰণে কিমান বস্তু আৱিষ্কাৰ হৈয়ে আছে। প্ৰাকৃতিক দুৰ্যোগ, মিছাইল আদিৰ দ্বাৰা গোটেই পুৰণি সৃষ্টি নাশ হ’ব। এতিয়া পিতা আহিছে তোমালোকক শ্ৰেষ্ঠ মত দিবলৈ, শ্ৰেষ্ঠ স্বৰ্গৰ স্থাপনা কৰিবলৈ। অনেকবাৰ তোমালোকে এয়া স্থাপনা কৰিছা গতিকে বুদ্ধিত সেই স্মৃতি থাকিব লাগে। অনেকবাৰ ৰাজ্য ল’লা আকৌ হেৰুৱালা। এইটো যাতে বুদ্ধিত চলি থাকে আৰু ইজনে-সিজনকো এই কথাবোৰ শুনাবা। বাহ্যিক কথাত সময় নষ্ট নকৰিবা। পিতাক স্মৰণ কৰা, স্বদৰ্শন চক্ৰধাৰী হোৱা। ইয়াত সন্তানসকলে ভালকৈ শুনি আকৌ বহুত মন্থন কৰিব লাগে, স্মৃতিলৈ আনিব লাগে, বাবাই কি শুনালে। শিৱবাবা আৰু উত্তৰাধিকাৰক নিশ্চয় স্মৃতিত ৰাখিব লাগে। পিতাই হাতত স্বৰ্গ লৈ আহিছে, সেয়েহে পৱিত্ৰও হ’ব লাগে। পৱিত্ৰ নহ’লে শাস্তি খাব লাগিব। পদো বহুত তলৰ খাপৰ পাবা। স্বৰ্গত উচ্চ পদ পাবলৈ হ’লে ভালকৈ ধাৰণা কৰা। পিতাই মাৰ্গতো বহুত সহজ দেখুৱাই দিয়ে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) পিতাই যি শুনায় সেয়া ভালকৈ শুনি আকৌ মন্থন কৰিব লাগে। বাহ্যিক জগতৰ কথাত নিজৰ সময় নষ্ট কৰিব নালাগে।

(2) পিতাৰ স্মৃতিত চকু মুদি বহিব নালাগে। শ্ৰীকৃষ্ণৰ ৰাজধানীত আহিবলৈ পঢ়া ভালকৈ পঢ়িব লাগে।

**বৰদান:** মন বুদ্ধি ঝামেলাৰ পৰা একাষৰীয়া কৰি মিলন মেলা উদ্‌যাপন কৰোঁতা ঝামেলামুক্ত হোৱা

বহুত সন্তানে ভাবে এই ঝামেলা নাইকিয়া হ'লে তেতিয়া আমাৰ অৱস্থা বা সেৱা ভাল হৈ যাব কিন্তু ঝামেলাবোৰ পাহাৰ সদৃশ। পাহাৰ আঁতৰি নাযাব, কিন্তু য'ত ঝামেলা থাকে ত'ত মন-বুদ্ধি একাষৰীয়া কৰি লোৱা অথবা উৰন্ত কলাৰে ঝামেলা ৰূপী পাহাৰৰো ওপৰলৈ গুচি যোৱা তেতিয়া পাহাৰো তোমালোকৰ সহজ অনুভৱ হ'ব। ঝামেলাৰ জগতত ঝামেলাতো আহিবই, তোমালোক মুক্ত হৈ থাকিলে মিলন মেলা উদ্‌যাপন কৰিব পাৰিবা।

**শ্লোগান:** এই বেহদৰ নাটকত মুখ্য ভূমিকা পালন কৰোঁতাজনেই মুখ্য ভাৱৰীয়া।

!! ওঁম্ শান্তি !!

পুৰণা সংস্কাৰ পৰিৱৰ্তন কৰি সংস্কাৰ মিলনৰ ৰাস কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

যিমানে পৰস্পৰ সংস্কাৰসমূহক সমানতাত আনিবা সিমানে সমীপত আহিবা। যেনেকৈ সাকাৰ ৰূপৰ সংস্কাৰ উপৰাম আৰু সাক্ষীদৃষ্টা আছিল, এয়াই সাকাৰৰ সম্পূৰ্ণ স্থিতিৰ শ্ৰেষ্ঠ লক্ষণ আছিল। এই সংস্কাৰসমূহক সমানতাত আনিব লাগে। ইয়াৰ দ্বাৰাই সকলোৰে অন্তৰত বিজয়ী হ’বা আৰু যিয়ে সংগমত সকলোৰে অন্তৰত বিজয়ী হয় তেৱেঁই ভৱিষ্যতে বিশ্ব মহাৰজা হয়।